# ৰাজহ চিৰস্তাদাৰৰ মেজৰ পৰা

প্ৰথমতে Power Point Presentation ৰ বিষয়টো প্ৰৱৰ্তন কৰা বাবে মাননীয় উপায়ুক্ত মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ ইয়াৰ দ্বাৰা কৰ্মচাৰীসকলে বিভিন্ন বিভাগত সম্পাদন হোৱা কামৰ বিষয়ে সম্যক আভাস পাবলৈ সক্ষম হ'ব। আহোমৰ শেষ ৰাজধানী যোৰহাট নগৰত বৃটিছৰ দ্বাৰা ১৯০৮ চনতে নিৰ্মিত যোৰহাট কাছাৰী এটা ঐতিহাসিক কাৰ্যালয় গৃহ। সেয়েহে, যোৰহাট নগৰৰ ইতিবৃত্তৰ বিষয়ে মাত্ৰ দুটামান লাইন অৱগত কৰা হৈছে।

- ১৭৯৪ চনত ৰংপুৰৰ পৰা যোৰহাটত ৰাজধানী পতা হয় আৰু সেই বৰ্ষটোৰেই যোৰহাট নগৰ প্ৰতিষ্ঠা বৰ্ষ হিচাপে গণ্য কৰা হয়।
- ১৮৬৭ চনত যোৰহাট, শিৱসাগৰ জিলাৰ মহকুমা হিচাপে ঘোষণা হয়।
- ১৯১২ চনত পুনৰ শিৱসাগৰ জিলাৰ সদৰ যোৰহাটলৈ অনা হয় আৰু
- ১৯৮৩ চনত যোৰহাট জিলা হিচাপে স্বীকৃতি পায়।

এই ১১০ বছৰীয়া গৃহটিত এখন আসন অধিকাৰ কৰি জনসাধাৰণৰ হিতৰ অৰ্থে চৰকাৰী কাম কৰিবলৈ পোৱাটো প্ৰতিজন কৰ্মচাৰীৰ বাবে সৌভাগ্যৰ বিষয়।

- উপায়ুক্ত, অতিৰিক্ত উপায়ুক্তৰ ঠিকনাত সকলো শাখালৈ অহা চৰকাৰী চিঠি আৰু আবেদন-প্ৰতিবেদনসমূহ কেন্দ্ৰীয় প্ৰাপ্তিৰ পঞ্জীত লিপিবদ্ধ কৰিবলৈ বিভাগসমূহ নিৰ্দিষ্ট কৰি দিয়া হয়। চিল-মোহৰ মৰাৰ পাছত সহায়কসকলে প্ৰথমে জৰুৰী চিঠিসমূহ আগতীয়াকৈ প্ৰেৰণ কৰে আৰু ৪ বজাৰ ভিতৰত আন্য ডাকসমূহ বিতৰণ কৰে। সংশ্লিষ্ট বিষয়াসকলৰ দৃষ্টিগোচৰ হোৱাৰ পাছত সহায়কসকলে নিৰ্দিষ্ট নথিত চিঠিসমূহ উপস্থাপন কৰে।

- যোৰহাট জিলাত ৫টা ৰাজহ চক্ৰৰ মুঠ মাটিকালি (২৮৫২-১২৫০)= ১৬০২ বৰ্গ কিঃমিঃ আৰু মুঠ জনসংখ্যা (৯,২৪,৯৫২-১,৪০,০০০) = ৭,৮৪,৯৫২ জন। এইসকলৰ জনসাধাৰণৰ প্ৰয়োজনীয় মাটি-বাৰী সম্পৰ্কীয় সকলো কাম ৰাজহ বিভাগৰ দ্বাৰা সম্পাদিত হয়। এই ৰাজহ বিভাগৰ উপ-শাখা সমূহ হৈছে - ৰাজহ পেচকাৰ, বন্দোবস্তী, তৌজি নবিচ, পঞ্জীয়ন কাননগোহ আৰু চিলিং শাখা।

এতিয়া আমাৰ ৰাজহ বিভাগৰ প্ৰতিটো শাখাৰ সহায়ক সকলে যুগুত কৰি অনা Power Point উপস্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

ধন্যবাদ-